**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। রাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি কেইবাটাও বিভাগত ৪৮১ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কাৰ্যসূচী।

২। ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীৰ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কেইবাগৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক আৰু জিলা আয়ুক্তসকলৰ সৈতে বৈঠক।

৩। কাছাৰ জিলাৰ কালাইন-শিলচৰ পথৰ ভাংগাৰপাৰৰ হাৰং নদীৰ ওপৰৰ দলংখন ভাগি পৰাত ৰাজ্যৰ অন্যান্য অংশৰ সৈতে বৰাক উপত্যকাৰ যোগাযোগ বিচ্ছিন্ন।

৪। বিদেশীক ঘূৰাই পঠিওৱাৰ নামত নীতিবৰ্হিঃভূতভাৱে কোনো লোকক চৰকাৰে আবদ্ধ কৰি ৰাখিব নোৱাৰিব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰকাশ। **আৰু**

৫। ভাৰত-ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া ক্ৰিকেট টেষ্ট শৃংখলা কাইলৈ আৰম্ভ।

০০০০০০

ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি কেইবাটাও বিভাগত ৪৮১ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। পশু পালন আৰু পশু চিকিৎসা বিভাগত ৪৪৩ গৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়ক, পৰ্যটন বিভাগত ১২ গৰাকী পৰ্যটন উন্নয়ন বিষয়া আৰু শিক্ষা বিভাগত ২৩ গৰাকী জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা তথা ৩ গৰাকী ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই উপলক্ষে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল উপস্থিত থাকিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কালি পৰ্যন্ত বিভিন্ন বিভাগত এক লাখ ২০ হাজাৰ ৩৫৯ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰৰ অভিলাসী আৰু জনকল্যাণমূলক আঁচনিসমূহ নিৰ্ধাৰিত সময়ত ফলপ্ৰসূভাৱে ৰূপায়ণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কেইবাগৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক আৰু জিলা আয়ুক্তসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অৰুণোদয়ৰ তৃতীয় পৰ্যায়, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি, আত্মনিৰ্ভৰ অসম, এটি কলি দুটি পাত আঁচনি সময়মতে ৰূপায়ণৰ বিভিন্ন দিশ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। ড০ শৰ্মাই অৰুণোদয়ৰ দ্বিতীয় পৰ্যায়ত বাদ পৰি ৰোৱা যোগ্য হিতাধিকাৰীসকলৰ নাম

পুনৰীক্ষণৰ ব্যৱস্থা কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে পুনৰীক্ষণৰ পাছত বিবেচিত হোৱা যোগ্য হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্তিৰ জৰিয়তে চূড়ান্ত তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ অনুমোদন ল'বলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে। এই বৈঠকতে ৰেচন কাৰ্ডৰ বিষয়টোও আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে প্ৰতিটো সমষ্টিত নতুনকৈ এহেজাৰ খন নতুন ৰেচন কাৰ্ড দিয়াৰ বাবে সিদ্ধান্ত লৈছে। এই ক্ষেত্ৰত বিধৱা মহিলা, বিবাহ বিচ্ছেদিত আৰু অবিবাহিত মহিলাক একক ৰেচন কাৰ্ড দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ড০ শৰ্মাই কয়, যে কৰ্কট আদি ৰোগৰ ক্ষেত্ৰত আয়ুষ্মান কাৰ্ডৰ সুবিধা ল'ব পৰাকৈ প্ৰতিখন জিলাৰ আয়ুক্তসকলক ৫০০ খনকৈ ৰেচন কাৰ্ড দিয়া হ'ব। জিলা আয়ুক্তসকলে যোগ্য তথা প্ৰয়োজন অনুসৰি এই কাৰ্ড প্ৰদান কৰিব পাৰিব।

মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই আঁচনিত যোগ্য হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ বিধায়কসকলক আহ্বান জনায়। চাহ বাগিচাৰ জনসাধাৰণৰ সৰ্বাংগীণ কল্যাণৰ বাবে চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ এটি কলি দুটি পাত আঁচনিৰ সফল ৰূপায়ণত গুৰুত্ব আৰোপ কৰে। অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰে এই আঁচনিখন ৰূপায়ণ কৰিবলৈ আগবাঢ়িছে। ইয়াৰ বাবে প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত বাগান কৰ্তৃপক্ষ, বিধায়ক আৰু নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলে সহযোগিতা আগবঢ়াব। ড০ শৰ্মাই আত্মনিৰ্ভৰ অসম আঁচনিৰ বাবে প্ৰয়োজনীয় নিৰ্বাচক সমিতি গঠনৰ ক্ষেত্ৰত জিলা অভিভাৱক মন্ত্ৰীসকলৰ সৈতে আলোচনা কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ চৰকাৰী বাংলো অথবা বিদ্যালয়কে ধৰি অব্যৱহৃত চৰকাৰী গৃহত অস্থায়ীভাৱে কাৰ্যালয় আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে সমগ্ৰ প্ৰক্ৰিয়াটো ১৫ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে।

০০০০০০

কাছাৰ জিলাৰ কালাইন-শিলচৰ পথৰ ভাংগাৰপাৰৰ হাৰং নদীৰ ওপৰৰ দলংখন যোৱা মঙলবাৰে নিশা ভাগি পৰাত ৰাজ্যৰ অন্যান্য অংশৰ সৈতে বৰাক উপত্যকাৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। কালাইন-শিলচৰ পথৰ অন্যতম গুৰুত্বপূৰ্ণ সংযোগী দলংখনত নিশা দুখন অতিৰিক্ত বোজাই কৰা ট্ৰাক পাৰ হৈ যোৱাৰ সময়তে ভাগি পৰে। এই দলংখন ভাগি পৰাৰ ফলত গুৱাহাটীৰ পৰা শিলচৰ, হাইলাকান্দি, শ্ৰীভূমি, ত্ৰিপুৰা আৰু মিজোৰামলৈ পথৰ সংযোগ বিচ্ছিন্ন হৈ পৰিছে। এই দুৰ্ঘটনাৰ খবৰ পোৱা মাত্ৰেই কাছাৰৰ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰে। তেওঁ এই ঘটনাৰ উচিত তদন্তৰ আশ্বাস দিয়ে।

**(বাইট- নোমল মাহাত্তা)**

উল্লেখযোগ্য যে যোৱা ২১ মে'ত কাটিগড়াৰ গেমন দলংখন মেৰামতিৰ বাবে বন্ধ কৰি দিয়াৰ পাছত বিকল্প হিচাপে ভাংগাৰপাৰ দলংখন যাতায়াতৰ বাবে মুকলি কৰি দিয়া হৈছিল।

০০০০০০

ৰাজ্য প্ৰশাসনে গোৱালপাৰা জিলাৰ হাচিলা বিলত শেহতীয়া উচ্ছেদ অভিযানৰ ফলত দীপৰ বিলতকৈও বৃহৎ এলেকা দখলমুক্ত কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ ফলত ৰাজ্যখনৰ প্ৰাকৃতিক জলাশয় সংৰক্ষণৰ জৰিয়তে প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত প্ৰকাশ কৰে। ........... **বাইট - চি এম**

উল্লেখযোগ্য যে দীৰ্ঘদিনৰ পৰা হাচিলাবিলৰ ভূমিত ৬৬৭টা পৰিয়ালে অবৈধভাৱে বসবাস কৰি আহিছিল। উচ্ছেদ অভিযানৰ পূৰ্বে একাংশ পৰিয়ালে স্ব-ইচ্ছাই সেই স্থান ত্যাগ কৰে যদিও বাকী থকা লোকসকলক প্ৰশাসনে ইতিমধ্যে উচ্ছেদ কৰিছে।

০০০০০০

অবৈধ বিদেশীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ সময়তে বিদেশীক ঘূৰাই পঠিওৱাৰ নামত নীতিবহিঃভূতভাৱে কোনো লোকক চৰকাৰে আবদ্ধ কৰি ৰাখিব নোৱাৰিব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰকাশ কৰিছে। বিদেশী ঘোষিত গোৱালপাৰাৰ হাছিনুৰ নামৰ লোকজনক মোকলাই দিবলৈ উচ্চ ন্যায়ালয়ে গোৱালপাৰা আৰক্ষীক নিৰ্দেশ দিছে। ২০১৮ চনত বিদেশী ন্যায়াধীকৰণে হাছিনুৰক বিদেশী ঘোষণা কৰাৰ পাছত দুবছৰ ধৰি ডিটেনচন কেম্পত কাৰাৰুদ্ধ হৈ আছিল। ২০২১ চনত উচ্চ ন্যায়ালয়ে চৰ্তসাপেক্ষে হাছিনুৰৰ জামিন মঞ্জুৰ কৰিছিল যদিও শেহতীয়াকৈ গোৱালপাৰা আৰক্ষীয়ে ২৫ মে'ত লোকজনক পুনৰ গ্ৰেপ্তাৰ কৰে। ইয়াৰ বিৰুদ্ধে হাছিনুৰৰ পৰিয়ালে ন্যায়ালয়ত লেখ আবেদন জনোৱাৰ পাছত ন্যায়ালয়ে কয়, যে সংবিধানৰ ২১ নম্বৰ অনুচ্ছেদৰ অধীনত আটকাধীন লোক এজনৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰাটো আদালতৰ দায়িত্ব। উচ্চ ন্যায়ালয়ে বিদেশী ঘোষিত হাছিনুৰক কোকৰাঝাৰৰ সপ্তম আৰক্ষী বেটেলিয়নৰ হ'ল্ডিং চেণ্টাৰৰ পৰা মুকলি কৰিবলৈ নিৰ্দেশ দিয়ে। ২০ জুনত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ নিৰ্গমন সন্দৰ্ভত কালি লোক সেৱা ভৱনত নিগমৰ অধ্যক্ষ অৰুণ কুমাৰ সিঙৰ সৈতে এখন গুৰুত্ব বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে গেছ নিৰ্গমনৰ ঘটনাটো অতি চিন্তাৰ বিষয় বুলি উল্লেখ কৰে। তেওঁ পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ বাবে ৰাজ্য চৰকাৰে সকলো সহযোগিতা আগবঢ়াব বুলি প্ৰকাশ কৰে। ড০ শৰ্মাই জনসাধাৰণৰ সুৰক্ষাৰ দিশটো নিশ্চিত কৰাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অধ্যক্ষগৰাকীক আহ্বান জনায়।

মুখ্যমন্ত্ৰী শৰ্মাই এই গেছ নিৰ্গমন সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ অৱনতি ৰোধ কৰাৰ বাবে অ' এন জি চিক যুদ্ধকালীন তৎপৰতাৰে গেছ নিৰ্গমন নিয়ন্ত্ৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰাৰ নিৰ্দেশ দিবলৈ পত্ৰখনৰ জৰিয়তে অনুৰোধ জনাইছে। তেওঁ লগতে স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে অ' এন জি চিয়ে অধিক সক্ৰিয়তাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে বুলি মত পোষণ কৰে। ৰাজ্য চৰকাৰে ৰীগৰ কাষৰীয়া অঞ্চলৰ ৩০০ৰো অধিক লোকক স্থানান্তৰিত কৰিছে আৰু তেওঁলোকক সকলোধৰণৰ সাহায্য আগবঢ়াইছে বুলি তেওঁ প্ৰকাশ কৰে।

তেল আৰু প্ৰাকৃতিক গেছ নিগম, অ' এন জি চিয়ে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰি আছে যদিও পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই।

০০০০০০

সাহিত্য একাডেমীয়ে কালি ঘোষণা কৰা চলিত বৰ্ষৰ যুৱ আৰু শিশু সাহিত্য বঁটা লাভ কৰা ব্যক্তিসকলৰ নামৰ তালিকা প্ৰকাশ কৰিছে। অসমৰ সুপ্ৰকাশ ভূঞাৰ্লৈ **কুঁচিয়ানামা** শীৰ্ষক চুটি গল্প সংকলনৰ বাবে যুৱ সাহিত্য বঁটা আৰু সুৰেন্দ্ৰ মোহন দাসলৈ **মইনাহঁতৰ পদ্য**ৰ বাবে শিশু সাহিত্য বঁটা আগবঢ়োৱা হৈছে। অমৰ খুংগুৰ

বড়োৱে বড়ো ভাষাত লিখা **অং অচুৰ** কবিতা সংকলনৰ বাবে যুৱ সাহিত্য বঁটা আৰু বিনয় কুমাৰ ব্ৰহ্মাই **খান্থি বৌচন আৰ' আখু ডানাই** শিশু গল্প সংকলনৰ বাবে শিশু সাহিত্য বঁটা লাভ কৰিছে।

যুৱ সাহিত্য বঁটা লাভ কৰা  শিৱসাগৰ জিলাৰ দিখৌমুখৰ গুৱালগাঁৱৰ বাসিন্দা সুপ্ৰকাশ ভূঞাই ২০০৮ চনৰ পৰা অসমৰ বিভিন্ন প্ৰতিষ্ঠিত আলোচনীত নিয়মীয়াভাৱে লিখি আহিছে। মূলতঃ মানুহৰ দুখ, যন্ত্ৰণা আৰু সপোনক বিষয় হিচাপে লৈ গল্প লিখি অহা শ্ৰী ভূঞাই বঁটা লাভৰ পাছত নিজৰ মনৰ ভাৱ এনেদৰে প্ৰকাশ কৰিছে –

**বাইট (সুপ্ৰকাশ)**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আটাইকেইগৰাকী বঁটা বিজয়ী সাহিত্যিক অভিনন্দন জনাইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বঁটা লাভ কৰা চাৰিওগৰাকী সাহিত্যিকলৈ অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০

ভাৰত- ইংলেণ্ডৰ মাজত পাঁচখনীয়া ক্ৰিকেট টেষ্ট শৃংখলা কাইলৈৰ পৰা আৰম্ভ হব। । ইতিমধ্যে দুয়োটা দলে এই শৃংখলাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে । ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিতব্য টেষ্ট শৃংখলাৰ পূৰ্বে বিৰাট কোহলিৰ আমন্ত্ৰণ মৰ্মে অধিনায়ক শুভমন গীল, সহঃ অধিনায়ক ঋষভ পণ্ট, মহম্মদ চিৰাজকে ধৰি কেইবাগৰাকী ক্ৰিকেটাৰে কোহলিৰ লণ্ডনস্থিত বাসগৃহত উপস্থিত হয়। আটাইকেইগৰাকী খেলুৱৈৰ সৈতে বিৰাট কোহলিয়ে মত বিনিময় কৰাৰ উপৰি একেলগে আহাৰ গ্ৰহণ কৰে। কোহলিয়ে আগন্তুক 'তেণ্ডুলকাৰ- এণ্ডাৰছন' ট্ৰফীৰ বাবে খেলিব লগা টেষ্ট শৃংখলাৰ নৱনিযুক্ত অধিনায়ক গীলক শুভেচ্ছা জ্ঞাপন কৰে । ভাৰত- ইংলেণ্ডৰ মাজত হবলগীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন মেচ কাইলৈ ইংলেণ্ডৰ লীডচত অনুষ্ঠিত হব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ মাজত কালি নিশা ৩৫মিনিট ধৰি একধিক বিষয় সন্দৰ্ভত টেলিফোনিক বাৰ্তালাপ হয়। সেই বাৰ্তালাপতেই ট্ৰাম্পৰ মধ্যস্থতাত ভাৰত-পাকিস্তানৰ যুদ্ধ বিৰতি হোৱা নাছিল বুলি প্ৰধানমন্ত্ৰী মোডীয়ে স্পষ্ট কৰি দিয়ে। এই বাতৰিটোক অসমীয়া প্ৰতিদিন আৰু দৈনিক অসম কাকতে প্ৰকাশ কৰিছে। THE SENTINAL আৰু THE TIMES OF INDIA কাকততো বাতৰিটোৱে প্ৰথমপৃষ্ঠাত স্থান লাভ কৰিছে।

ইজৰাইল আৰু ইৰাণৰ মাজত চলি থকা আক্ৰমণ-প্ৰত্যাক্ৰমণে ক্ৰমাত জটিল ৰূপ ধাৰণ কৰিছে। ইৰাণে ইজৰাইলৰ বিৰুদ্ধে পূৰ্ণ পৰ্যায়ৰ যুদ্ধ ঘোষণা কৰা বাতৰিটো দৈনিক জনমভূমি কাকতে মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। আমাৰ অসম কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম ইজৰাইলত ভয়ংকৰ প্ৰত্যাঘাত ইৰাণৰ, ট্ৰাম্পৰ আত্মসমৰ্পণৰ নিৰ্দেশ অগ্ৰাহ্য। তেহৰাণত আৱদ্ধ ভাৰতীয় শিক্ষাৰ্থীসকলৰ এটা দল লৈ প্ৰথমখন বিমান আজি ভাৰতত উপস্থিত হোৱাৰ বাতৰিটো THE ASSAM TRIBUNE কাকতৰ প্ৰথমপৃষ্ঠাত প্ৰকাশ পাইছে। ধুবুৰীৰ গো মাংস কাণ্ডৰ

**প্ৰতিক্ৰিয়া মাৰ নৌযাঁওতেই কালি লখিমপুৰতো এটা নামঘৰৰ সন্মুখত দুস্কৃতিকাৰীয়ে গো-মুণ্ড পেলাই থৈ যায় আৰু পিছত আৰক্ষীয়ে সাতজনক গ্ৰেপ্তাৰ কৰে। এই বাতৰিটোক নিয়মীয়া বাৰ্তা কাকতে মুখ্যবাতৰি হিচাপে পৰিৱেশন কৰিছে। মুখ্যমন্ত্ৰীয়ে গো-মাংস কাণ্ডৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা বাতৰিটো দৈনিক অগ্ৰদূত আৰু অসমীয়া খবৰ কাকতে বিশেষ গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।**

oooooo

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰ, ২০২৫-ৰ বাবে মনোনয়নৰ আহ্বান কৰিছে। সাহসিকতা, ক্ৰীড়া, উদ্ভাৱন, সমাজসেৱা, কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰত দেখুওৱা পাৰদৰ্শিতাৰ বাবে ১৮ বছৰ অনুৰ্ধ শিশুসকলক এই পুৰস্কাৰৰ বাবে মনোনয়ন কৰিব পাৰিব। অসম ৰাজ্যিক শিশু সুৰক্ষা সমাজে সকলো বিদ্যালয়, বিভিন্ন প্ৰতিষ্ঠান, স্বেচ্ছাসেৱী সংগঠন, পিতৃ-মাতৃ, অভিভাৱক অথবা সাধাৰণ নাগৰিকসকলেও এনে শিশুৰ বাবে মনোনয়ন কৰিব পাৰিব। ইচ্ছুক লোকসকলে মন্ত্ৰালয়ৰ ৱেবছাইটৰ জৰিয়তে অহা ৩১ জুলাই'ৰ ভিতৰত মনোনয়ন জমা দিব পাৰিব।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত